# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 03-10-2024

**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

**- - - - - - - - - - - - - - -**

১। ৰাজ্যত অবৈধভাৱে চলি থকা লটাৰীক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিষিদ্ধ ঘোষণা।

২। প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে কাইলৈ আৰু পৰহিলৈ ৰাজ্যৰ ২১ খন জিলাত ৩৯ খন সম-জিলা উদ্বোধন।

৩। সমাগত দুৰ্গা পূজাৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ পূজা সমিতিসমূহলৈ নিৰ্দেশনা জাৰি। শব্দ প্ৰদূষণৰ প্ৰতি লক্ষ্য ৰাখি মণ্ডপসমূহত পুৱা ৬ বজাৰ পৰা নিশা ১০ বজালৈ ৫৫ ডেচিবেলতকৈ অধিক শক্তিশালী স্বৰত অনুভাষ যন্ত্ৰ বজোৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা।

৪। হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি সামৰণি। বিজেপিৰ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশগ্ৰহণ।

**আৰু**

৫। শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেলত স্কটলেণ্ডৰ বিৰুদ্ধে বাংলাদেশৰ জয়লাভ।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত অবৈধভাৱে চলি থকা লটাৰীক নিষিদ্ধ ঘোষণা কৰিছে। আজি ন্যায়ালয়ে নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত গোচৰৰ শুনানি লৈ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়াধীশ উন্নী কৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠে অফলাইন তথা অনলাইন কোনো মাধ্যমতে লটাৰী অনুষ্ঠিত কৰিবলৈ যাতে অনুমতি নিদিয়ে তাৰ বাবে সকলো জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ প্ৰতি নিৰ্দেশনা জাৰি কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়ে। লগতে কোনো অবৈধ লটাৰী অনুষ্ঠিত কৰাৰ ঘটনা দৃষ্টিগোচৰ হ'লে লগে লগে আয়োজকৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা ল'বলৈ আৰক্ষী অধীক্ষকক নিৰ্দেশ দিছে।

০০০০০০০

সমাগত দুৰ্গা পূজাৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূজা সমিতিসমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। পূজা সুকলমে অনুষ্ঠিত কৰাৰ সন্দৰ্ভত গুৱাহাটী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি আৰক্ষী প্ৰশাসনৰ সৈতে মহানগৰীৰ পূজা সমিতিসমূহৰ এখন বৈঠক অনুষ্ঠিত হয়। সমিতিসমূহলৈ দিয়া নিৰ্দেশনা অনুসৰি প্ৰতিখন পূজা মণ্ডপত সুৰক্ষাৰ সুব্যৱস্থা কৰাৰ লগতে প্ৰাথমিক চিকিৎসা ব্যৱস্থা উপলব্ধ কৰিবলৈ প্ৰশাসনে নিৰ্দেশ দিছে। মণ্ডপত চিচি টিভি কেমেৰাৰ সংস্থাপন, প্ৰৱেশ আৰু প্ৰস্থানৰ বাবে পৃথক পথৰ ব্যৱস্থা কৰাৰ লগতে পৰিৱেশ অনুকূল সামগ্ৰীৰে পূজা মণ্ডপ নিৰ্মাণ আদিৰ বিষয়ে উল্লেখ কৰা হৈছে। শব্দ প্ৰদূষণৰ প্ৰতি লক্ষ্য ৰাখি মণ্ডপসমূহত পুৱা ৬ বজাৰ পৰা নিশা ১০ বজালৈ ৫৫ ডেচিবেলতকৈ অধিক শক্তিশালী স্বৰত অনুভাষ যন্ত্ৰ বজোৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। প্ৰশাসনে জাৰি কৰা নিৰ্দেশনাখনত প্ৰতিখন পূজা মণ্ডপত অগ্নিনিৰ্বাপন আৰু খোৱাপানীৰ উপযুক্ত ব্যৱস্থা কৰাৰ লগতে প্ৰশাসনৰ জৰুৰীকালীন ফোন নম্বৰসমূহ মণ্ডপত আঁৰি ৰাখিবলৈ নিৰ্দেশ দিছে।

ইপিনে, কোনো ৰাজহুৱা স্থানত মণ্ডপ নিৰ্মাণ নকৰিবলৈ আৰু মণ্ডপ নিৰ্মাণ কৰোঁতে প্ৰাকৃতিক সম্পদ তথা ৰাজহুৱা সম্পত্তি নষ্ট নকৰিবলৈ নিৰ্দেশনাত উল্লেখ আছে। লগতে পূজা মণ্ডপ আৰু কাষৰীয়া অঞ্চলসমূহৰ পৰা সুৰা তথা অন্যান্য মাদক দ্ৰব্য সম্পূৰ্ণ ৰূপে নিষিদ্ধ কৰিবলৈ প্ৰশাসনে নিৰ্দেশ দিছে। উল্লেখযোগ্য যে আজি অনুষ্ঠিত বৈঠকত মহানগৰীৰ তিনি শতাধিক পূজা সমিতিৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। বৈঠকত জিলাৰ আয়ুক্ত, আৰক্ষী আয়ুক্তৰ লগতে গুৱাহাটী পৌৰ নিগম, স্বাস্থ্য বিভাগ, বিদ্যুৎ বিভাগ, অগ্নি নিৰ্বাপক বাহিনী, প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আদি বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে কাইলৈ আৰু পৰহিলৈ পৰ্যায়ক্ৰমে ৰাজ্যৰ ২১ খন জিলাত ৩৯ খন সম-জিলা উদ্বোধন কৰা হ'ব। উল্লেখযোগ্য যে ধুবুৰী জিলাৰ বিলাসীপাৰা আৰু গোলকগঞ্জক সম-জিলা হিচাপে স্বীকৃতি দিয়া হৈছে। বঙাইগাঁৱৰ অভয়াপুৰীক, কামৰূপ জিলাৰ ৰঙিয়াক, নগাঁও জিলাৰ কলিয়াবৰ আৰু ৰহাক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। একেদৰে বিশ্বনাথৰ গহপুৰ আৰু বিহালীক, লখিমপুৰ জিলাৰ ঢকুৱাখানাক, ধেমাজিৰ জোনাইক সমজিলা হিচাপে স্বীকৃতি দিয়া হৈছে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা, ডুমডুমা আৰু শদিয়া সম-জিলা হ'ব। শিৱসাগৰৰ নাজিৰা আৰু ডিমৌক, যোৰহাটৰ তিতাবৰক সম-জিলাৰ মৰ্যাদা দিয়া হৈছে। গোলাঘাট জিলাৰ বোকাখাট, সৰুপথাৰ আৰু ডেৰগাঁওক সম-জিলা হিচাপে স্বীকৃতি দিয়া হৈছে। কাছাৰৰ লক্ষীপুৰ, গোৱালপাৰা জিলাৰ পশ্চিম গোৱালপাৰা সম-জিলা হ'ব। কামৰূপ মেট্ৰ'ৰ দিছপুৰ, নিউ-গুৱাহাটী আৰু ডিমৰীয়াক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। দৰং জিলাৰ ছিপাঝাৰ আৰু দলগাঁৱক, মৰিগাঁও জিলাৰ জাগীৰোড আৰু লাহৰীঘাট আৰু হোজাই জিলাৰ লামডিঙক সম-জিলাৰ স্বীকৃতি দিয়া হৈছে। শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত কাইলৈ সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ উদ্বোধনী অনুষ্ঠানত নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংঘল উপস্থিত থাকিব। ঢেকীয়াজুলিৰ লগতে জিলাখনৰ নদুৱাৰকো সম-জিলাৰ আখ্যা দিয়া হ'ব। ডিব্ৰুগড় জিলাৰ খোৱাং, দুলিয়াজান আৰু টিংখঙক সম-জিলাৰ স্বীকৃতি দিয়া হৈছে। চৰাইদেউ জিলাৰ মাহমৰা আৰু কৰিমগঞ্জৰ পাথাৰকান্দি আৰু ৰামকৃষ্ণ নগৰক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ আনন্দৰাম বৰুৱা নগদ ধন প্ৰদান আঁচনিৰ অধীনত আবেদন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ৯৮২ গৰাকীৰ বেংক একাউণ্টৰ তথ্যত বিসংগতি ধৰা পৰিছে। সেয়েহে মাধ্যমিক শিক্ষা সঞ্চালকে শিক্ষানুষ্ঠানসমূহৰ মুৰব্বীসকলক এই ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে যোগাযোগ কৰি পৰহিলৈৰ ভিতৰত বেংক একাউণ্টৰ শুদ্ধ তথ্যসহ নতুনকৈ আবেদন দাখিল কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাটোত লগতে উল্লেখ কৰা হৈছে যে ২০২৪ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশতকৈ অধিক নম্বৰ লাভ কৰা মুঠ ২৬ হাজাৰ ৯৬৯ গৰাকী শিক্ষাৰ্থী আনন্দৰাম বৰুৱা নগদ ধন প্ৰদান আঁচনিৰ বাবে যোগ্য বিবেচিত হৈছিল।

০০০০০০০

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ ৰাজ্যমন্ত্ৰী শ্ৰীমতী শোভা কৰাণ্ডলাজেই কাইলৈ গুৱাহাটীত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ষষ্ঠ আঞ্চলিক বৈঠকত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে আয়োজন কৰা এই বৈঠকত শ্ৰম সংস্কাৰ, অসংগঠিত শ্ৰমিকৰ ই-শ্ৰম ৰাষ্ট্ৰীয় তথ্যকোষ, ভৱন আৰু অন্যান্য নিৰ্মাণ কাৰ্যত জড়িত শ্ৰমিক, কৰ্মচাৰীৰ ৰাজ্যিক বীমা নিগম আৰু নিয়োগ সৃষ্টিৰ পদক্ষেপসমূহৰ সম্পৰ্কে আলোচনা কৰা হ'ব। বৈঠকত শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ৰ সচিব শ্ৰীমতী সুমীতা দাওৰা আৰু কেন্দ্ৰীয় চৰকাৰ তথা সংশ্লিষ্ট ৰাজ্যসমূহৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব।

০০০০০০০

বজালী আৰু বাক্সাৰ পৰা তীৰ্থ ভ্ৰমণ কৰিবলৈ যোৱা ৯ জন ব্যক্তি গুজৰাটৰ জামনগৰৰ অসামৰিক চিকিৎসালয়ত ডায়েৰিয়াত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত আছে। অসমৰ পৰা দ্বাৰকালৈ যোৱা তীৰ্থযাত্ৰীৰ ৪৯ জনীয়া দলটোৰ ১২ গৰাকী লোক খাদ্যত বিষক্ৰিয়া হৈ অসুস্থ হৈ পৰিছিল আৰু ইয়াৰে এজনৰ মৃত্যু হয়। মৃত লোকজন বজালীৰ ছৈবাৰী গাঁৱৰ উদ্ধৱ দাস। চিকিৎসাধীন ব্যক্তিসকলৰ অৱস্থা বৰ্তমান সংকটমুক্ত বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য আৰু ৰাজহুৱা বিতৰণ তথা গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে এই সন্দৰ্ভত দ্বাৰকা আৰক্ষীৰ সৈতে আলোচনা কৰি অসুস্থসকলৰ চিকিৎসা অব্যাহত ৰখাৰ লগতে প্ৰয়াত দাসৰ নশ্বৰ দেহ ৰাজ্যলৈ উভতাই পঠোৱাৰ বাবে যাৱতীয় ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

ড০ বাবুল চন্দ্ৰ দাসক আজি ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া আসনত অধিষ্ঠিত কৰা হয়। সত্ৰখনৰ ২৬ সংখ্যক বুঢ়াসত্ৰীয়াৰ অভিষেক অনুষ্ঠান উপলক্ষে আজি বৰপেটাৰ উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। নৱনিৰ্বাচিত বুঢ়াসত্ৰীয়াগৰাকীক গায়ন-বায়ন আৰু সত্ৰৰ ভকতে আদৰি আনি ৰীতি অনুসৰি তেওঁৰ পৰা থানৰ বাতৰি লোৱাৰ লগতে ৰাজহুৱা আশীৰ্বাদ প্ৰদান কৰা হয়। ইয়াৰ পাছত তেওঁক গুৰু আসনৰ পাছফালে থকা বুঢ়াসত্ৰীয়াৰ আসনত অধিষ্ঠিত কৰি সত্ৰৰ ঘাই দেউৰী নাৰায়ণ আতৈয়ে শিৰত মালা-নিৰ্মালী অৰ্পণ কৰে। আজিৰ এই বিশেষ অনুষ্ঠানত জিনকাটা সত্ৰ, বৰঙাজুলি সত্ৰ, শ্ৰীশ্ৰী ঈশ্বৰহাটী সত্ৰৰ সত্ৰাধিকাৰকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সত্ৰাধিকাৰগৰাকীৰ অভিষেক অনুষ্ঠান সন্দৰ্ভত আমাৰ বৰপেটাৰ সংবাদদাতা অৰূপ কুমাৰ মহন্তই এইদৰে কয়-

**ভইচ কাষ্ট**

০০০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি অন্ত পৰিব। ৰাজ্যখনৰ ৯০টা বিধানসভা সমষ্টিৰ বাবে পৰহিলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনটোতে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰো ভোটগণনা ৮ অক্টোবৰত সম্পন্ন হ'ব। প্ৰচাৰৰ আজি অন্তিম দিনা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আমবালা বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰত অংশগ্ৰহণ কৰিছে। ইপিনে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে কালায়াত আৰু ছফিড' বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অংশ লৈছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কেইবাটাও বিধানসভা সমষ্টিত নিজৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে। ইফালে, ইণ্ডিয়ান নেচনেল লোক দলৰ নেতা অভয় সিং চৌতালাইও দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত অংশ লৈছে।

নিৰ্বাচন আয়োগে পৰহিলৈ সন্ধিয়া চাৰে ৬ বজা পৰ্যন্ত একজিট পুল প্ৰকাশত নিষেধাজ্ঞা আৰোপ কৰিছে। ছপা মাধ্যম, বৈদ্যুতিন সংবাদ মাধ্যম বা আন কোনো সংস্থাই নিৰ্ধাৰিত সময়তকৈ পূৰ্বে একজিট পুল প্ৰকাশ কৰিব নোৱাৰিব।

০০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত আজি ৰাজ্যিক পৰ্যায়ৰ সপ্তম পোষণ মাহ ২০২৪ৰ সামৰণি অনুষ্ঠানৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। গোলাঘাটত অনুষ্ঠিত সামৰণি অনুষ্ঠানত পোষণ মাহৰ বৃদ্ধি নিৰীক্ষণ কাৰ্যসূচীত মাজুলী জিলাই ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান লাভ কৰে। আনহাতে, মৰিগাঁও জিলাত মৰিগাঁও পৌৰসভাৰ অন্তৰ্গত মৰি এৰা গাঁও আদৰ্শ অংগনবাড়ী কেন্দ্ৰত সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহ ২০২৪ৰ সামৰণি অনুষ্ঠান আয়োজিত হয়। অনুষ্ঠানত ৰাজ্যিক ভিত্তিত মৰিগাঁও জিলাই দ্বিতীয় পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হোৱা খাদ্যসমূহ প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি জিলাখনৰ আয়ুক্তই শিশু, গৰ্ভৱতী মহিলা আৰু প্ৰসূতি মাতৃসকলৰ স্বাস্থ্যৰ প্ৰতি অধিক সচেতন হ'বলৈ অংগনবাড়ী কৰ্মী-সহায়িকাসকলক আহ্বান জনায়। অনুষ্ঠানতে মৰিগাঁও জিলাৰ বাবে বেটী বচাও, বেটী পঢ়াও পদক্ষেপৰ অংশ হিচাপে আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস ২০২৪ উদ্বোধন কৰা হয়।

ইপিনে, জিলা মহিলা সবলীকৰণ কেন্দ্ৰ আৰু মহিলা আৰু শিশু বিকাশ বিভাগ মাজুলীৰ উদ্যোগত জিলাখনতো আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস ২০২৪ৰ দহ-দিনীয়া কাৰ্যসূচীৰ অংশৰূপে মহিলা আৰু শিশু বিকাশৰ বিভাগৰ কৰ্মচাৰীসকলে কমলাবাৰী ফেৰী ঘাটত সামূহিক চাফাই অভিযান কাৰ্যসূচী ৰূপায়ণ কৰে। এই দিৱসৰ লগত সংগতি ৰাখি নিৰ্মীয়মান জিলা আয়ুক্ত কাৰ্যালয়ত কন্যা শিশুৰ নামত গছপুলি ৰোপণ কৰা হয়।

০০০০০০০

প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ৯০ সংখ্যক জন্মদিৱস উপলক্ষে আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুখ্য কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। সভাত কংগ্ৰেছৰ কেইবাগৰাকীও নেতাই অংশগ্ৰহণ কৰে।

০০০০০০০

সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা চমুকৈ এ আই ইউ ডি এফ দলটোৱে আজি ২০ বছৰ সম্পূৰ্ণ কৰিলে। দলটোৰ বিংশতিতম প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে দলটোৰ মুখ্য কাৰ্যালয়ত প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি দলীয় কৰ্মীসকলে প্ৰতিখন জিলাতে দলীয় পতাকা উত্তোলন, অনাথ শিশু আৰু স্থানীয় চিকিৎসালয়ৰ ৰোগীৰ মাজত ফল-মূল বিতৰণ তথা গছপুলি ৰোৱে। দলৰ সভাপতি মৌলানা বদৰুদ্দিন আজমলে প্ৰতিষ্ঠা দিৱসত সকলো দলীয় বিষয়ববীয়া আৰু কৰ্মীলৈ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৪-৫ দিনলৈ গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত ধাৰাষাৰ বৰষুণৰ আগলি বতৰা দিছে। বিভাগে প্ৰকাশ কৰা অনুসৰি নামনি অসমৰ কেইবাখনো জিলাৰ লগতে ডিব্ৰুগড়, তিনিচুকীয়া আৰু কাছাৰ জিলাত চলিত সপ্তাহটোত বিজুলী-ঢেৰেকনিৰে প্ৰবল বৰষুণৰ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ডিমা হাছাও আৰু পশ্চিম কাৰ্বি আংলং জিলাত ধাৰাষাৰ বৰষুণৰ আগজাননী দিছে।

০০০০০০০

কাৰ্বি আংলং জিলাৰ অভিভাৱক মন্ত্ৰী নন্দিতা গাৰ্লোছাই আজি ডিফুত উপস্থিত হৈ কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাত ৰূপায়িত হৈ থকা বিভিন্ন চৰকাৰী উন্নয়নমূলক আঁচনিৰ কাম-কাজৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ সচিবালয়ত পৰিষদৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে।

০০০০০০০

গুৱাহাটীৰ সৰুসজাইৰ ক্ৰীড়া প্ৰকল্পত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে একাদশ সদৌ অসম ছিনিয়ৰ লন বল ৰেংকিং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অসম লন বলিং সন্থাই এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

০০০০০০০

আই এছ এল ফুটবল প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে ৭ বজাত ভূবনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত ওড়িশা এফ চি - কেৰালা ব্লাষ্টাৰ্ছ এফ চিৰ মুখামুখি হ'ব। কেৰালা ব্লাষ্টাৰ্ছে ইয়াৰ পূৰ্বৰ খেলত নৰ্থ-ইষ্ট ইউনাইটেড এফ চিৰ বিৰুদ্ধে ১-১ গলত ড্ৰ' খেলি আই এছ এলৰ পইণ্ট তালিকাত পঞ্চম স্থান দখল কৰিছে। ইফালে ওড়িশা এফ চিয়ে জামছেদপুৰ এফ চিক ২-১ গলত পৰাজিত কৰি পইণ্ট তালিকাৰ দশম স্থান অধিকাৰ কৰিছে।

০০০০০০০

শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেলত বাংলাদেশে স্কটলেণ্ডক ১৬ ৰানত পৰাস্ত কৰিছে। টছত জিকি বাংলাদেশে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১১৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুৰত স্কটলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১০৩ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়।

আনহাতে, আজিৰ দ্বিতীয়খন খেলত পাকিস্তান-শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। ভাৰত কাইলৈ নিজৰ প্ৰথমখন খেলত নিউজিলেণ্ডৰ মুখামুখি হ'ব।

০০০০০০০

সমাপ্ত